# সত্ৰীয়া আৰু উৰিছী নৃত্য

● গৰিমা হাজৰিকা

কৌটিকলীয়া পুৰণি ঐতিহ্যৰ ভিত্তিত ভাৰতত নৃত্যকলা প্ৰতিষ্ঠিত হৈছিল। বিৰাট ভূ-খণ্ডই নৃত্যকলাৰ বিভিন্ন ধাৰাৰ জন্ম দিছিল আৰু এটা নিৰ্দ্দিষ্ট কাল আৰু পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱত এই ধাৰাবোৰে নিজ নিজ আকৃতি ধাৰণ কৰিছিল। নৃত্যকলাৰ এই আদিম ধাৰা বা শৈলীৰাশি অতি যতনেৰে মানুহে সংৰক্ষিত কৰি আহিছে যি আজি আমাৰ দেশৰ সংস্কৃতিৰ এটা বিশেষ অংশ হিচাপে পৰিগণিত হৈ জীৱন্ত ঐতিহ্যলৈ ৰূপান্তৰিত হৈছে আৰু যাক লৈ আজি আমি সকলো ভাৰতীয়ই গৌৰৱ আৰু আনন্দ অনুভৱ কৰোঁহক। আমাৰ দেশত সিচঁৰিত হৈ থকা অসংখ্য মঠ মন্দিৰ, সত্ৰ, গাওঁভূইত প্ৰতিপালিত এই নৃত্য কলা বৰ্ত্তমান সমগ্ৰ দেশৰ বিভিন্ন অঞ্চল, আৰু মঞ্চত প্ৰবেশ কৰি মানুহৰ মনত দিছে এক অপাৰ, অপৰিসীম অতুলনীয় স্বৰ্গীয় আনন্দ।

একেডাল ভোলতে বান্ধ খাই থকা ভাৰতৰ শাস্ত্ৰীয় নৃত্য সমূহৰ উৎস হ'ল এটাই ; "ভৰতৰ নাট্যশাস্ত্ৰ"। ভাৰতীয় নৃত্যকলা বিষয়ৰ ওপৰত ৰচনা কৰা প্ৰাচীনতম এই পুথিখন এতিয়াও সংৰক্ষিত হৈ আছে। নাট্যশাস্ত্ৰ ৰচনা হোৱাৰ পূৰ্ব্বে হয়তো কিছু-নাটসূত্ৰ প্ৰচলিত থকাটো অসম্ভৱ নহয়। কিন্তু কালৰ গৰ্ভত সেইবোৰ লুপ্ত হৈ গল নাইবা বৰ্ত্তমানৰ নাট্যশাস্ত্ৰৰ ভিতৰত সোমাই পৰিল। প্ৰাচীন ভাৰতত নৃত্যকলা নাটকলাৰ অংশ আছিল। সামগ্ৰিকভাৱে নৃত্যই আছিল নাট আৰু নাটেই নৃত্য। এই দুই কলাৰ মাজত তেনে কোনো প্ৰাৰ্থক্যই নাছিল। গীত, বাদ্য আৰু নৃত্য এই তিনিকলাৰ সঙ্গমেই হ'ল সঙ্গীত। সঙ্গীতৰ ওপৰত পূৰ্ব্বতে যিবোৰ পুথি ৰচনা কৰা হৈছিল সেই পুথিবোৰত এই তিনিকলাৰ প্ৰতিটি কলাৰ একোটা অধ্যায় আছিল। নাট্যত এই তিনিকলাৰ উপৰিও নাটকলা অন্তৰ্ভুক্ত আছিল। নাট্যশাস্ত্ৰৰ ৩৬ টা অধ্যায়ত এই সকলোখিনি কলাৰ কথা পুংখানুপুংখৰূপে, বিস্তাৰিত ভাৱে বৰ্ণনা কৰা হৈছে। এই শাস্ত্ৰখন লিখি উলিয়াওতে কেবাটাও শতাব্দী লাগিছিল আৰু বিভিন্ন পণ্ডিতে একেটা ছদ্মনামত বিভিন্ন অধ্যায় লিখিছিল বুলি কলেও অত্যুক্তি কৰা নহব। গতিকে এই শাস্ত্ৰখনক নৃত্য-সঙ্গীত বাদ্য আৰু নাট বিষয়ৰ ওপৰত ৰচনা কৰা এখন অসাধাৰণ, বিস্ময়কৰ সংকলন-গ্ৰন্থ বুলি কব পাৰি।

আমাৰ দেশৰ সাংস্কৃতিক জীৱনৰ ভেটিটো হল বিভিন্নতাৰ মাজেৰেই সাংস্কৃতি, একতা। এই বিভিন্নতা আগত ৰাখিয়েই নাট্যশাস্ত্ৰত ভাৰতবৰ্ষক চাৰিটা প্ৰবৃত্তিত ভাগ কৰিছিল। সেই চাৰিটা প্ৰবৃত্তি হ'ল—আৱন্তী, দাক্ষিণাত্য, পাঞ্চালী আৰু ওড্ৰমাগধী। এই বিভিন্নতাৰ কাৰণেই ভাৰতৰ বেলেগ বেলেগ ঠাইৰ শাস্ত্ৰীয় নৃত্যসমূহৰ এটাৰ লগত আনটোৰ মিল নাই অথচ এই অমিলৰ মাজতো সোমাই আছে এক সাংস্কৃতিক ঐক্য।

সৰ্ব্বসাধাৰণ চকুৰে চালে সকলো শাস্ত্ৰীয় নৃত্যৰ অঙ্গ সঞ্চালন একে যেন লাগে। কিয়নো এই নৃত্যসমূহ বৈজ্ঞানিক ভিত্তিত ৰচনা কৰা হৈছে। বিজ্ঞান সন্মত ভাবে যি বস্তু তৈয়াৰ কৰা হয় সেই বস্তুবোৰৰো প্ৰাথমিক কথাবোৰ এটাৰ লগত আনটোৰ অলপ হলেও মিল দেখা যায়। নৃত্যৰ ক্ষেত্ৰতো ইয়াৰ তাৰতম্য নাই।

অন্যান্য ভাৰতীয় শাস্ত্ৰীয় নৃত্যবোৰৰ দৰে উড়িচী আৰু সত্ৰীয়া নৃত্যৰ শৈলী মূলতে একে হলেও, নৃত্যৰ ধৰণধাৰণ বেলেগ। উড়িচী নৃত্য অতি লাস্য প্ৰধান আৰু সত্ৰীয়া নৃত্য তাণ্ডব প্ৰধান। অৱশ্যে সত্ৰীয়া নৃত্যতো লাস্য নথকা নহয়। সত্ৰীয়া নৃত্য কেৱল পুৰুষেই নাচি আহিছিল আনকি নাৰী চৰিত্ৰও পুৰুষেই নাচে। গতিকে সত্ৰীয়া নাচত পুৰুষৰ ভঙ্গিৰ প্ৰাধান্য বেছি। আন হাতে উড়িচী নৃত্য হল দেবদাসী সকলৰ দ্বাৰা কৰা নৃত্য–অৰ্থাৎ নাৰী সুলভ ভঙ্গিৰ প্ৰাধান্যতা। দেবদাসীসকলৰ নৃত্যসমূহ বাহিৰৰ ৰঙ্গমঞ্চলৈ অনাৰ মূলতে আছিল গতিপুৱ সকলৰ আখৰা সমূহ। বিভিন্ন সামাজিক কাৰণ আৰু যুদ্ধ বিগ্ৰহৰ ফলত যেতিয়া দেবদাসীসকলৰ ওপৰত প্ৰভাৱ পৰিল তেতিয়া এক শ্ৰেণীৰ লৰাই ছো–ৱালীৰ সাজ পাৰ পিন্ধি নৃত্য গীত বাদ্যৰ চৰ্চ্চা কৰিবলৈ ললে ললে আৰু সেই লৰাবোৰেই হল গতিপুৱা। এই গতিপুৱ সকলৰ আখৰা আৰু অসমৰ সত্ৰ সমূহৰ মাজত যথেষ্ট মিল দেখা যায়। সত্ৰসমূহত ভকতসকলে কঠোৰ অনুশাসনৰ মাজেৰে যিদৰে নীতি নিয়ম মানি নৃত্য গীত আৰু বাদ্য শিকিব লাগে ঠিক তেনেদৰেই গতি-পুৱ সকলেও কঠোৰ অনুশাসনৰ মাজেৰে নৃত্য গীত বাদ্য শিকিব লাগে। ওঠৰ বিশ বছৰ বয়স লৈকেহে গতিপুৱ হিচাপে নৃত্য গীত বাদ্যৰ চৰ্চ্চা আৰু প্ৰদৰ্শন কৰিব পাৰে। বিশবছৰৰ পাচত গতিপুৱ সকলেই শিক্ষক নাইবা গুৰু হয়গে। আমাৰ সত্ৰ সমূহতো তেনে ধৰণৰ নিয়ম দেখিবলৈ পাওঁহক।

বৈষ্ণৱ ধৰ্ম্মৰ প্ৰভাৱ দুয়োবিধ নাচতে দেখি-বলৈ পাওঁ যদিও, কৃষ্ণ প্ৰেম দুয়োবিধ নাচতে সম্পূৰ্ণ বেলেগ। উড়িচী নৃত্যত কৃষ্ণ ৰাধা প্ৰেমত শৃঙ্গাৰ ৰস প্ৰকট কিন্তু সত্ৰীয়া নাচত কেৱল ভক্তিবাদ নাইবা আধ্যাত্মিকতাই বেছি প্ৰাধান্য পায়। সত্ৰীয়া নাচত ৰাধা চৰিত্ৰ নাই। গোপী-সকলৰ কৃষ্ণপ্ৰেমত কেৱল বাৎসল্য বিৰহ আৰু ভক্তি ৰসেই প্ৰধান। অৱশ্যে নৱৰসৰ সকলো ৰসেই সত্ৰীয়া নৃত্যত আছে কিন্তু সেই ৰসৰ শেষ লক্ষ্যও ভক্তিহে। উড়িচী নাচত বৈষ্ণৱ ধৰ্ম্মৰ লগে লগে জৈন বৌদ্ধ, শৈৱ ধৰ্ম্মৰো প্ৰভাৱ সমানেই আছে। কিন্তু সত্ৰীয়া নৃত্যত কেৱল বৈষ্ণৱ ধৰ্ম্মৰহে প্ৰভাৱ। বৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ মাধ্যম হিচাপেইহে সত্ৰীয়া সংস্কৃতিৰ বিকাশ হৈছিল। উড়িচী আৰু সত্ৰীয়া নাচৰ ভঙ্গি সমূহ যদিও সম্পূৰ্ণ বেলেগ তথাপিও তাৰে ভিতৰত কিছু–মান ভঙ্গিৰ মিল নথকা নহয়। উড়িচীৰ চৌক' আৰু সত্ৰীয়াৰ "ওৰা" ধৰাৰ ভৰিৰ স্থিতি একে। বংশীধাৰী কৃষ্ণৰ ভঙ্গি দুয়োটা নাচৰে একে। সত্ৰীয়া নাচৰ কিছুমান ভঙ্গিত ত্ৰিভঙ্গী পৰিলক্ষিত হৈছে যদিও উড়িচী নাচৰ ত্ৰিভঙ্গীৰ দৰে প্ৰকট নহয়।

সৰ্ব্বসাধাৰণতে সকলো শাস্ত্ৰীয় নৃত্যত ব্যৱহাৰ হোৱা অসংযুক্ত, সংযুক্ত, নৃত্যহস্ত, শিৰ–ভেদা, গ্ৰীৱাভেদা, দৃষ্টি ভেদা, চাৰি, মণ্ডল, গতি, ভ্ৰমৰী আদি নাট্যশাস্ত্ৰ আৰু অভিনয় দৰ্পণৰ মতে লোৱা হয়। কিন্তু প্ৰতিটো শাস্ত্ৰীয় নৃত্যৰ নিজ নিজ বৈশিষ্ট্য আছে কাৰণে সেই বৈশিষ্ট্য সমূহৰ অনুযায়ী সেই নৃত্যৰ পণ্ডিতসকলে নিজ নিজ নৃত্যপুথিও ৰচনা কৰিছে। যেনে,–উড়িচী নৃত্যৰ অভিনয় চন্দ্ৰিকা, অভিনয় দৰ্পন প্ৰকাশ, নাট্য মনোৰমা, সঙ্গীতা নাৰায়ণ গীতি প্ৰকাশ ইত্যাদি। সত্ৰীয়া নৃত্যতো শ্ৰীহস্ত মুক্তাৱলী এখনি আপুৰুগীয়া পুথি। উড়িচী নৃত্যৰ গোমুখ, উৰ্ন নাভ আৰু ভ্ৰমৰ হস্ত সত্ৰীয়া নাচৰ কৃষ্ণ সাৰ-মুখ উৰ্নাভ আৰু ভ্ৰমৰৰ সৈতে মিল আছে।

উড়িচী নৃত্যৰ বিশেষ হস্ত সমূহ হ'ল,-ধনু বান, পুষ্প, পিচামুখ, প্ৰদীপ, তাম্বুল, উভয়কৰ্ত্তৰী, উপবন, গবাক্ষ, ধ্বজমুষ্টি, বস্ত্ৰ ইত্যাদি। সত্ৰীয়া নৃত্যৰ বিশেষ হস্ত সমূহ হল যেনে, কদম্ব, অঙ্কুশ তন্দ্ৰীমুখ, ঘ্ৰোনিক, গজদন্ত, বধৰ্মান, নিষধ, মৰাল, অৱহিত ইত্যাদি। ভ্ৰমৰীক সত্ৰীয়া ভাষাত পাক বোলা হয়। সত্ৰীয়া নাচৰ থিতাপাক, আকল পাক, শাৰীপাক, উড়িচী নাচতো আছে। উড়িচীৰ দুই চাৰিটা গতি যেনে চলন চক্ৰমন, বেগীনি, কুটন সত্ৰীয়া নাচতো দেখা যায়। উড়িয়া ভাষাত উড়িচী নাচৰ আঠোটা বেলি আছে, যেনে উঠা, বইঠা, থিয়া, চালি, ভূৰা, বচা ভঁউৰি, পালি। থিক তেনেকৈ সত্ৰীয়া নাচবো আমি কৰি লব পাৰো,—যেনে ধৰক-ওৰা, চতা, জলক, পাক, ল ন, আঠুৰা। গেৰোৱা চোৱা, হাত সলোৱা আৰু লগতে মোৰোপা। সাজ পোচাকৰ ক্ষেত্ৰত উৰিচী নৃত্যত আগৰ মাহাৰী সকলে পিন্ধা সাজতকৈ বহুখিনি পৰিৱৰ্ত্তন কৰি মঞ্চ উপযোগী কৰি লোৱা হৈছে। উড়িচী নৃত্যৰ এই সকলোখিনি নবৰূপ নৃত্যৰ গুনীজ্ঞানী গুৰু সকলেই কৰিছে অৱশ্যে মূল ভেটি লৰচৰ নকৰাকৈ। আমাৰ সত্ৰত সত্ৰীয়া নাচত ব্যৱহাৰ কৰা চাতিন ভেলভেটৰ সলনি অসমীয়া শালত বোৱা পাতৰ সাজেৰে নৃত্যৰ সাজ তৈয়াৰ কৰি সত্তৰ দশকতে বৰবায়ন শ্ৰীৰসেশ্বৰ শইকীয়া দেৱৰ পৰিচালনাত সত্ৰীয়া নৃত্য মঞ্চত পৰিবেশন কৰাৰ আমাৰ সৌভাগ্য হৈছিল। পাচত এই সাজখিনি আকৌ নতুন কৰি ৰূপ দিয়া হয় বৰবায়ন শ্ৰীঘনকান্ত বৰাদেৱৰ তত্বাৱধানত। সত্ৰীয়া নাচ একক হিচাপে পৰিবেশন কৰিব পৰাকৈ ইতিমধ্যে ৰেপাৰটৰী ৰচনা কৰি, সেই নাচ নতুন সাজ পোচাকত অসমৰ বিভিন্ন মঞ্চত পৰিবেশন কৰা হৈছে। পণ্ডিত সকল, গুনীসকল, নৃত্যসমালোচক আৰু দৰ্শক সকলে সত্ৰীয়া নৃত্যৰ এই নবৰূপ অতি আনন্দৰে গ্ৰহণ কৰা দেখা গৈছে। সত্ৰীয়া নৃত্য শিল্পী সকলৰ বাবে ই এক শুভলক্ষণ বুলি কব পৰা যায়। এই এককনাচৰ ৰেপাৰটৰী কমলাবাৰী সত্ৰৰ বৰবায়ণ শ্ৰীৰসেশ্বৰ শইকীয়া আৰু বৰবায়ণ শ্ৰীঘনকান্ত বৰাৰ অপৰিসীম বৰঙণি আছে বুলিলে অত্যুক্তি কৰা নহব। আনন্দৰ কথা যে ইতিমধ্যে বৰবায়ণ শ্ৰীঘনকান্ত বৰাদেৱে এলানি সত্ৰীয়া নাচৰ পুথি লিখিবলৈ আৰম্ভ কৰিছে আৰু তাৰে প্ৰথমখন "মাটি আখৰ"ৰ পুথি ইতিমধ্যে ছপা হৈ ওলাইছে।

# সঙ্গীত-সত্ৰৰ আৰম্ভণী আৰু শিক্ষাদান কথা

● শ্ৰীৰসেশ্বৰ শইকীয়া

সঙ্গীত সত্ৰ আৰম্ভ কৰা হৈছিল ১৯৬৮ চনত। ইয়াৰ আগতে নাম আছিল 'বায়নৰ স্কুল'। ১৯৬৭ চনত চান্দমাৰীত থকা অসম একাডেমী ফৰ কালচাৰেল ৰিলেশ্যনচৰ ভৱনত। এই ক্ষেত্ৰত প্ৰথম আগ ভাগ লোৱা ব্যক্তি অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ তেতিয়াৰ সঞ্চালক স্বৰ্গীয় ৰুদ্ৰ বৰুৱাদেৱ আৰু ড° বীৰেন্দ্ৰ নাথ দত্ত। তেখেতসকলৰ সহযোগত 'বায়নৰ স্কুল' আৰম্ভ কৰা হয়। স্বৰ্গীয় বৰুৱাদেৱ আৰু ড° দত্তদেৱক সহায় কৰিছিল সঙ্গীত নাটক একাডেমীৰ পুৰস্কাৰ প্ৰাপ্ত শিল্পী শ্ৰীখগেন মহন্ত, গায়ক অপূৰ্ব দাস, মিহিৰ বৰদলৈ আৰু শ্ৰীযুক্তা নিকুঞ্জলতা মহন্ত আদিয়ে। নিমন্ত্ৰণী চিঠি-পত্ৰ আদি ছপা কৰি আমাক সহায় কৰিছিল বৰ্ত্তমান আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ শ্ৰীমান ধ্ৰুৱজ্যোতি বৰদলৈয়ে। ইয়াৰ কিছুদিনৰ পিছতে অসম একাডেমী ভৱনত এখনি সভা অনুষ্ঠিত কৰা হয়। সেই সভাত সভাপতিত্ব কৰিছিল ডঃ প্ৰফুল্ল দত্ত গোস্বামীদেৱে। 'বায়নৰ স্কুল' নামটি ৰাখিছিল গীতিকাৰ, কবি শ্ৰীযুত কেশৱ মহন্ত দেৱে। সেই সময়তেই "সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল" নামৰ বৃহত পুথিখনিৰ আমি কাম কৰি থকাত ড° মহেশ্বৰ নেওগদেৱৰ গুৱাহাটী বিশ্ববিদ্যালয়ত থকা আবাসিক গৃহলৈ সঘনাই অহা যোৱা কৰি থাকিব লগা হৈছিল। কথাৰ প্ৰসঙ্গতে ড° নেওগদেৱৰ আগত 'বায়নৰ স্কুল'ৰ কথা কোৱাত তেখেতে এই প্ৰচেষ্টাৰ সলাগ লয়। তেখেতে আকৌ এখনি সভা অহ্বান কৰাৰ কথা কোৱাত অসম একাডেমীৰ ভৱনতেই আমি এখনি সভা আহ্বান কৰিলো, ১৯৬৮ চনৰ জুন মাহত। সেই সভাতেই 'বায়নৰ স্কুল'ৰ পৰিৱৰ্ত্তে "সঙ্গীত সত্ৰ" নামটি ৰখা হয়। সঙ্গীত সত্ৰ নামটিৰ কথা কৈছিল অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীযুত যোগেশ দাসদেৱে। সেই সভাতেই সঙ্গীত সত্ৰ পৰিচালনা সমিতি এখন গঠন কৰা হয় আৰু কৰ্মযোগী স্বৰ্গীয় ৰাধাগোবিন্দ বৰুৱাদেৱক মুখ্য পৃষ্ঠপোষক আৰু ড° নেওগদেৱক সভাপতি নিৰ্বাচন কৰা হয়। উপ-সভাপতি হয় স্বৰ্গীয় ৰুদ্ৰ বৰুৱাদেৱ, যুটীয়া সম্পাদক হিচাপে শ্ৰীযুত কেশৱ মহন্তদেৱ আৰু আমাক লৈ সঙ্গীত সত্ৰ পৰিচালনা সমিতি গঠন কৰা হয়। সঙ্গীত সত্ৰৰ সৰ্ব প্ৰথম ছাত্ৰী দুগৰাকী হ'ল কুমাৰী সুদেষ্ণা (নিয়ৰ) দত্ত আৰু কুমাৰী দিপ্তী চাংকাকতি। পাচত বহুতো ছাত্ৰ-ছাত্ৰী হৈছিল। ইমান ছাত্ৰ-ছাত্ৰী হোৱাৰ কাৰণ হৈছিল — সেই সময়ত গুৱাহাটীত সঙ্গীত বিদ্যালয় নাছিলেই, একমাত্ৰ উজান বজাৰৰ কুমাৰ ভাস্কৰ নাট্য মন্দিৰত থকা সঙ্গীত বিদ্যালয়খনিত হিন্দুস্থানী সঙ্গীত, কথক নৃত্য, মনিপুৰী নৃত্যহে শিক্ষা দিয়া হৈছিল। অসমৰ থলুৱা সংগীতৰ শিক্ষা নাছিল। সংগীত সত্ৰলৈ প্ৰথম অনুদান আগ-

বঢ়াইছিল গুৱাহাটী পৌৰসভাৰ কাৰ্য্যবাহী বিষয়া শ্ৰীযুত প্ৰফুল্ল প্ৰসাদ শইকীয়াদেৱে। ৫০০ (পাঁচশ) টকাৰ এয়া আছিল এককালিন সাহাৰ্য্য। ১৯৭১ চনত গুৱাহাটী জিলা পুঁথি ভড়ালত সংগীত সত্ৰৰ সাহাৰ্য্যৰ বাবে মনিপুৰী নৃত্যৰ বিখ্যাত নৃত্যপতিয়সী বম্বেৰ জাভেৰী ভগ্নীত্ৰয়ৰ নৃত্য প্ৰদৰ্শন কৰা হয়। ১৯৭২ চনত সংগীত সত্ৰৰ সম্পাদক হিচাপে শ্ৰীপ্ৰদীপ বৰদলৈ নিৰ্বাচিত হয়। সেই চনতেই ভাৰতবৰ্ষৰ এগৰাকী প্ৰখ্যাত নৃত্যবিদ, পণ্ডিত গৱেষক, সমালোচক ড° কপিলা বাৎসয়নে সংগীত সত্ৰলৈআহি অসমৰ সত্ৰীয়া নৃতৰ বিষয়ে আলোচনা কৰে। ড° নেওগদেৱে ডঃ বাৎসয়নক সত্ৰীয়া নৃত্যৰ বিভিন্ন দিশৰ সম্বন্ধে বুজাই দিয়ে। [ড° বাৎসায়নে আমাৰ পৰা সত্ৰীয়া নৃত্য শিকাৰো আগ্ৰহ প্ৰকাশ কৰিছিল। আমাৰেই দুৰ্ভাগ্য যে আমি সেই আগ্ৰহ ৰক্ষা কৰিব নোৱাৰিলো ] ১৯৭৩ চনত সংগীত সত্ৰই সত্ৰীয়া নৃত্য, গীত আৰু বাদ্যৰ পাঁচ বছৰীয়া এখনি পাঠ্যক্ৰম যুগুতাই ছপা কৰে। এইখনেই হ'ল অসমৰ সত্ৰীয়া সংগীতৰ সৰ্ব্ব প্ৰথম পাঠ্যক্ৰম। পাঠ্যক্ৰমখনি ঘাইকৈ শ্ৰীশ্ৰীকমলাবাৰী সত্ৰৰ আহিমতেই প্ৰস্তুত কৰা হয়। অসমৰ যি কেইটি অনুস্থানে পাঠ্যক্ৰম প্ৰস্তুত কৰি লৈছে তেখেত সকলেও সংগীত সত্ৰৰ পাঠ্যক্ৰমৰ আধাৰতেই কৰাৰ কথা জনা যায়। সংগীত সত্ৰৰ এটি উল্লেখযোগ্য কথা হ'ল সত্ৰীয়া নৃত্য, গীত আৰু ব্যদ্যলৈ সৰ্বভাৰতীয় বৃত্তি লাভ কৰাটো। সেইয়া আছিল ১৯৭৯ চনৰ কথা। সংগীত সত্ৰৰ ছাত্ৰীদ্বয় শ্ৰীমতী জুৰি ভট্টাচাৰ্য্য আৰু কুমাৰী দিপ্তী চাংকাকতিয়ে অসমত সৰ্বপ্ৰথম (১৯৭৯ চনত) এই বৃত্তি লাভ কৰে। প্ৰথম অৱস্থাত পাঠ্যক্ৰম অনুসৰি সংগীত সত্ৰৰ ছাত্ৰ-ছাত্ৰীসকলেহে পৰীক্ষাত বহিছিল। পাচত গুৱাহাটীত স্থাপিত হোৱা কেইবাখনিও সংগীত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা দিয়ে। বৰ্ত্তমান আমাৰ বিভিন্ন নগৰ চহৰৰ প্ৰায় ১৪ খনি সংগীত বিদ্যালয়ে সংগীত সত্ৰৰ স্বীকৃতি লৈ নিয়মিয়াভাবে বছৰেকীয়া পৰীক্ষা সমূহত অৱতীৰ্ণ হৈ আহিছে। সংগীত সত্ৰৰ সভাপতি ড° নেওগদেৱ পাটিয়ালাৰ পাঞ্জাৱী বিশ্ববিদ্যালয়ৰ শঙ্কৰদেৱ আসনৰ অধ্যাপক হৈ যোৱাত, উপসভাপতি ৰুদ্ৰ বৰুৱাদেৱক ড° নেওগদেৱৰ অনুপস্থিতিত সত্ৰৰ কাৰ্যভাৰ চলাই নিবলৈ নিৰ্ব্বাচিত কৰা হয়। বৰ্ত্তমান কাৰ্য্যকৰী সভাপতি ডঃ বীৰেন্দ্ৰ নাথ দত্তদেৱ, সাধাৰণ সম্পাদক শ্ৰীপ্ৰদীপ বৰদলৈ, সহকাৰী সম্পাদক শ্ৰীদিলীপ চাংকাকতি। সংগীত সত্ৰৰ শিক্ষকসকল আছিল শ্ৰীপ্ৰভাত শৰ্মা, শ্ৰীঘনকান্ত বৰা, শ্ৰীমুৰাৰী শৰ্মা, শ্ৰীনৰেন দাস আৰু শ্ৰীগোবিন্দ শইকীয়া আৰু কুমাৰী দিপ্তী চাংকাকতি। সংগীত সত্ৰৰ পৰীক্ষাৰ্থী সকলৰ ভিতৰত বিশেষভাবে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত সংগীত সত্ৰৰ পাঠ্যক্ৰম অনুসৰি শেষান্ত পৰীক্ষাত অৰ্থাৎ "গুনীন" পৰীক্ষাৰ নৰ্ত্তন বিভাগত কুমাৰী দিপ্তী চাংকাকতি, বাদ্য বিভাগত উত্তৰ লক্ষীমপুৰৰ সত্ৰীয়া সংগীত বিদ্যালয়ৰ ছাত্ৰ শ্ৰীমান সুৰজীৎ ভূঞা। শ্ৰীমান ভূঞাই ৫০০ (পাঁচশ) টকীয়া পুৰস্কাৰ লাভ কৰিছিল। সংগীত সত্ৰত প্ৰথম অৱস্থাৰ পৰাই নিজৰ ঘৰ মাটি নোহোৱাত নানান আলৈ আহকাল বিভিন্ন সমস্যাৰ আদিৰ সন্মুখীন হব লগাত পৰিছিল। শেষত কামৰূপ জিলাৰ প্ৰশাসনৰ সহযোগত তেতিয়াৰ উপায়ুক্ত শ্ৰীযুত উপেন চন্দ্ৰ ভূঞাদেৱৰ যত্নত চান্দমাৰী কলনিত ডেৰ কঠা মাটি সঙ্গীত সত্ৰৰ নামত চৰকাৰে আবণ্টন দিয়ে। এই সুযোগতে শ্ৰীযুত ভূঞাদেবলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জনালো। আন এগৰকী বিশিষ্ট ব্যক্তি অৱসৰ প্ৰাপ্ত কৰ আয়ুক্ত শ্ৰীযুত গনেশ চন্দ্ৰ বৰুৱাদেৱে সংগাত সত্ৰলৈ প্ৰথম অৱস্থাত আৰ্থিক ভাবে সহায় আগবঢ়াইছিল। তেখেতলৈকো আমাৰ কৃতজ্ঞতা জনালো। সংগীত সত্ৰৰ আন এটি উল্লেখযোগ্য কথা হৈছিল সভাপতি ডঃ নেওগ দেৱৰ পৰামৰ্শ

ক্ৰমে ৰাষ্ট্ৰীয় সংগীত নাটক একাডেমিয়ে নগাঁওৰ শ্ৰবনী সত্ৰৰ স্বৰ্গীয় গিৰিকান্ত মহন্তদেৱক সংগীত সত্ৰত মধ্যঅসমৰ বৰদোৱা সত্ৰৰ আহিৰ সকলো বাজনাৰ তাললিপি কৰিবলৈ ফেলশ্বিপ প্ৰদান কৰিছিল। তাললিপি কৰিছিল বাদ্য বিষাৰদ স্বৰ্গীয় কেশৱ চাংকাকতিদেৱে আৰু আমি হাতত তাল দি তাললিপিত সহায় আগবঢ়াইছিলো। এই পুথিখনি এতিয়াও অৰ্থৰ অভাবত প্ৰকাশ কৰিব পৰা নাই। পুথিখনি প্ৰকাশ কৰিব পাৰিলে অসমীয়া জাতিৰ আপুৰুগীয়া সত্ৰীয়া সংস্কৃতিৰ সম্পদ ৰক্ষা হ'লহেঁতেন। সংগীত সত্ৰৰ ছাত্ৰ-ছাত্ৰী সকলে অসম তথা ভাৰতবৰ্ষৰ বিভিন্ন নগৰ চহৰ সমূহত সত্ৰীয়া নৃত্য, গীত আৰু ভাওনা প্ৰদৰ্শন কৰি সত্ৰীয়া নৃত্য লৈ এটি নতুন জাগৰণ আনিবলৈ সক্ষম হোৱাটো এটি উল্লেখ-যোগ্য কথা।

সত্ৰীয়া নৃত্য গীত আৰু বাদ্য প্ৰণালীবদ্ধ আৰু বিজ্ঞান সন্মত শিক্ষা দিয়া অনুষ্ঠান সংগীত সত্ৰ হ'ল (বিশেষকৈ সত্ৰৰ বাহিৰত) অসমত সৰ্ব প্ৰথম অনুষ্ঠান। সংগীত সত্ৰই সত্ৰীয়া নৃত্য গীত আৰু বাদ্যৰ ওপৰত এখনি পাঁচ বছৰীয়া পাঠ্যক্ৰম যুগুতাই ১৯৭৩ চনতে ছপা কৰি উলিয়ায়।

সত্ৰীয়া নৃত্যৰ আৰম্ভনি মাটি আখৰা। ইয়াৰ ৬৪ টা ভাগ আছে। এই মাটি আখৰাসমূহ সত্ৰীয়া নৃত্যৰ ব্যাকৰণ বুলি কোৱা হয়। এই মাটি আখৰা আৰু নৃত্যসমূহ শ্ৰীকমলাবাৰী আৰু সেই থলৰ সত্ৰসমূহত প্ৰচলিত মতেহে কোৱা হৈছে। মাটি আখৰা সমূহক দুটা ভাগত ভগোৱা হৈছে— প্ৰথম ভাগত শৰীৰৰ অংগসমূহ হাত, ভৰি, ককাল, মূৰ, ডিঙি, বাহু আদি নৃত্যত কেনেদৰে ব্যৱহাৰ কৰিব লাগে আৰু ইয়াৰ জোখ-মাপ কিমান হব লাগে তাৰ শিক্ষা দিয়া হয়। উদাহৰণ স্বৰূপে ওৰা চতাৰ কথা কব পাৰি, ওৰা চতা অৰ্থাৎ (স্থিতি) ইয়াৰ ভাগ দুটা— পুৰুষৰ আৰু প্ৰকৃতিৰ। পুৰুষৰ ওৰাত হাত-ভৰি, ককাল মূৰ, ডিঙি, বাহু আদি কিমান জোখত ৰাখিব লাগে আৰু প্ৰকৃতিৰ ওৰাত কিমান জোখত থাকিব লাগে। চতাৰো দুটা ভাগ। বহাচতা আৰু ওৰা চতা। বহা চতাৰ জোখ, ওৰা চতাৰ জোখ কিমান হব লাগে ইত্যাদি বিভিন্ন প্ৰকাৰে শিক্ষা দিয়া হয়। ব্যায়াম জাতীয় আখৰা ইয়াক 'লন' বুলি কোৱা হয়। ব্যায়াম জাতীয় আখৰাক গাৰ জঠৰতা ভঙা, গাৰ তেজ চলা-চল কৰাৰ বাবে ইয়াক কৰা হয়। উদাহৰণ স্বৰূপে কেই ভাগ মান ব্যায়াম 'লন'ৰ নাম উল্লেখ কৰা হ'ল। যেনে— আঠু লন, থিয় লন, কাটি লন, তমাল মোচৰা, কামি টনা ইত্যাদি। এই ব্যায়াম বা লন সমূহৰো হাত-ভৰি, ককাল, মূৰ, ডিঙি আদিৰ জোখ কিমান হব লাগে তাৰ শিক্ষা দিয়া হয়। মাটি আখৰা সমূহতে হাত ভৰিৰ চলন আৰু স্থিতি দুয়োটা ভাগ আছে আৰু সেইমতে শিক্ষা দিয়া হয়। সত্ৰত মাটি আখৰা সমূহৰ নাম মুখেৰে কৈ কৈ শিক্ষা দিয়া হয়। মাটি আখ-ৰাত বাজনা সংযোগ সৰ্বপ্ৰথমে আমিয়েই কৰি-ছিলো। ১৯৬৭ চনত আমি যেতিয়া গুৱাহাটীলৈ আহো সেই সময়ত সোমাৰ জ্যোতি কলা পৰি-ষদ নামৰ এটি অনুষ্ঠানে আমাকলৈ ভগৱতী প্ৰসাদ বৰুৱা ভৱনত সত্ৰীয়া নৃত্য-গীত প্ৰশি-ক্ষণ কেন্দ্ৰ এটি আৰম্ভ কৰে। এই অনুষ্ঠানৰ যোগেদিয়েই অঙ্কীয়া ভাওনা "ৰাম বিজয়" কৰা হৈছিল। ভাওনা আৰম্ভ হোৱাৰ আগতে ড° মহেশ্বৰ নেওগদেৱে আমাক মাটি আখৰা কেই-ভাগ মান প্ৰদশন কৰাৰ কথা কোৱাত আমি ১৫ (পোন্ধৰ) ভাগ মাটি আখৰা (বচা বচা...) দেখুৱাবলৈ ঠিক কৰিলো আৰু শ্ৰীযতীন গোস্বামীৰ কথা মতে মাটি আখৰাৰ বাজনা সংযোগ কৰি প্ৰদৰ্শন কৰো। তেতিয়াৰ পৰাই মাটি আখৰাত বাজনা সংযোগ কৰি শিক্ষা দিয়াৰ প্ৰথা চলিল। নাট্যশাস্ত্ৰত ১০৮ বিধ কৰণৰ কথা কোৱা হৈছে। এই কৰণ সমূহৰ দৰেই আমাৰ মাটি আখৰা।

নাট্য শাস্ত্রত কৰণৰ বিষয়ে কৈছে—

সৰ্ব্বে-ৰামঙ্গ হাৰানাং নিস্পত্তি কৰনৈ ভবেত ।
তান্যাহং সংপ্ৰবক্ষ্যামী নামতঃ কৰ্মত স্তথা ॥

অৰ্থাৎ এই কৰণৰ দ্বাৰাই সকলো অঙ্গহাৰৰ কাম হয় বুলি কোৱা হৈছে। নাট্য শাস্ত্ৰ মতে কেই ভাগ মান কৰণৰ নাম হৈছে তালপু স্প-পুত. ৱৰ্ত্তীত, কলি তৰু, অপৱিদ্ধ, সমনস, লীন, স্বস্তীক ৰেচিতও ইত্যাদি। আমাৰ সত্ৰীয়া নৃত্য আটি আখৰা কেই ভাগমানৰ নাম হৈছে— দণ্ডৱত, ওৰা, পুৰুষৰ ওৰা, প্ৰকৃতিৰ ওৰা, ওৰাত বহা--উঠা, হাড় ভঙা, বহা চতা, ওৰা চতা, উধা চতা, কাটি চতা ইত্যাদি দুয়াটা ভাগ মতে শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছে। নৃত্য শিক্ষাৰ ক্ষেত্ৰতো প্ৰথমতে হাতত তাল দি মুখেৰে বাজনা গাই আয়ত্ত কৰিবলৈ দিয়া হয়। বাজনা বিলাকৰ তালৰ নাম আৰু ইয়াৰ মাত্ৰা ভাগ কেনেকৈ কৰা হয়, বাজনা মুখেৰে গাওঁতে তাৰ সুৰ, লয় বা গতি বাজনা বিলাকৰ জাতি আদিৰ শিক্ষা দিয়া হয়। আন এটি কথা হৈছে— ভৰি স্থিতি। এই ভৰি স্থিতিৰ বিষয়ে অভিনয় দৰ্পনত কৈছে—

"পাদ বিন্যাস ভেদেন স্থানকংধ যৰবিং ভবেত,
সমপাদং টেকপাদং নাগবন্ধ স্ততঃ পৰম ।
ঐন্দ্ৰ চ গৰুৰং চৈব ব্ৰহ্মষ্ঠান মিতি ক্ৰমাৰ্ত ॥

অৰ্থাৎ ভৰিৰ স্থান ভেদ ছয় প্ৰকাৰ বুলি কৈছে। যেনে— সমপাদ, একপাদ, নাগবন্ধ, ঐন্দ্ৰ, গৰু ড় আৰু ব্ৰহ্মা এই ছয় প্ৰকাৰৰ ভৰিৰ স্থিতি বুলি কোৱা হৈছে। আমাৰ সত্ৰীয়া নৃত্যত ভৰিৰ বা পদৰ স্থানৰ কথা কৈ শিক্ষা দিয়া নহয় যদিও ব্যৱহাৰিকত ভৰিৰ বা পদৰ স্থান নথকা নহয়। আমাৰ ভৰিৰ স্থিতিৰ নাম বিলাক এনে ধৰণে কোৱা হয়— সমপাদ "দুয়োখন ভৰি সমানে ৰখা"। একপাদ "এখন ভৰি আনখন ভৰিৰ আঠুৰ ওপৰত ৰখা।" নাগবন্ধ "দুয়োখন ভৰি কেৰেপা মাৰি ধৰা" ইত্যাদি নাম বিলাক কোৱা হয়। 'গতিভেদ' এই গতি-ভেদত কঁকাল, মূৰ, হাত ব্যৱহাৰ হয়। অভি-নয় দৰ্পণৰ মতে গতিভেদ ১০ (দহ) প্ৰকাৰৰ বুলি কোৱা হৈছে। যেনে— হংস গতি, ময়ূৰী গতী, মৃগী গতি, গজলীলা গতি, তুৰঙ্গী গতি, সিংহী গতি, ভূজঙ্গী গতি, বীৰ গতি, মানৱী গতি আৰু মাণ্ডকী গতি এই দহ প্ৰকাৰৰ গতি ভেদৰ কথা কোৱা হৈছে আমাৰ গতিভেদৰ কথা য়হ এনে ধৰণে— হাহঁৰ দৰে, ফেৰেকা–ফেকিকৈ যোৱা, ম'ৰাই ছালি ধৰা দি ধৰা, পছুৰ দৰে যোৱা, হাতীৰ দৰে গহীন–গম্ভীৰকৈ যোৱা, সাপৰ দৰে একা-বেকাকৈ মেৰা ইত্যাদি নামেৰে কোৱা হয়। সংগীত সত্ৰত এই দুয়ো ভাগেৰে শিক্ষা দিয়া হয়। হস্ত কৰ্মৰ ক্ষেত্ৰতো সংযুক্ত হস্ত, অসংযুক্ত হস্ত, নৃত্য হস্ত এই তিনিওটা ভাগেৰেই শিক্ষা দিয়া হয়। এনেধৰণে শিক্ষা দিয়াৰ বাবেই প্ৰণালী-বদ্ধ আৰু বিজ্ঞানসন্মত শিক্ষা দিয়াৰ কথা কোৱা হৈছে।

শেষত এটা কথা কব লাগিব যে সংগীত সত্ৰৰ সভাপতি পণ্ডিত প্ৰবৰ ড° মহেশ্বৰ নেওগ-দেৱে সত্ৰীয়া সংগীত তথা সংগীত সত্ৰলৈ যি বিশিষ্ট অৰিহণা আগবঢ়ালে আৰু লগতে আমাকো নানা দিশত দিহা পৰামৰ্শ দি আহিছে সেয়া আমাৰ বাবে চিৰস্মৰণীয় হৈ থাকিব। ডঃ নেওগদেৱৰ সহায়ৰ ফলস্বৰূপেই সংগীত সত্ৰই আজি অসমত এক মৰ্য্যাদাৰ আসন লাভ কৰি-বলৈ সক্ষম হৈছে। সেয়ে তেখেতৰ প্ৰতি আমাৰ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ। সংগীত সত্ৰৰ একেৰাহে ২০ বছৰ কাল সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব বহন কৰি, একাগ্ৰচিত্তে অনুষ্ঠান-টিৰ লগত লাগিথাকি আমাকো দিহা পৰামৰ্শৰে একাগ্ৰভাবে সহায়কৰি আহিছে। তাৰ বাবে সম্পাদক শ্ৰীবৰদলৈৰ প্ৰতিও আমাৰ আন্তৰীক ধন্যবাদ থাকিল।

কেৱল পৃথিৱীক নতুনকৈ
আবিস্কাৰ কৰাই নহয়,
ভ্ৰমণে জগাই তুলিলে মানুহৰ মনত
অসীম জ্ঞান পিপাসা
আৰু গঢ়ি তুলিলে
সংস্কৃতি আৰু সংহতিৰ মূল ভেটি ।
ভ্ৰমণ আধুনিক জীৱনৰ জিজ্ঞাসাৰ প্ৰধান আহিলা ।
অসম পৰ্যটকৰ বাবে স্বৰ্গপুৰী ।
সাতসাগৰ তেৰ নদীৰ সিপাৰৰ মানুহেও
আমাৰ ৰাজ্য ভ্ৰমণ কৰে ।
আপুনি জানো অসমৰ নৈসৰ্গিক শোভা.
আপুৰুগীয়া জীৱ-জন্তু ; প্ৰাচীন মূৰ্তি দেখিছে ?

বিতং তথ্যৰ বাবে যোগাযোগ কৰক
**সঞ্চালক, পৰ্য্যটন বিভাগ (অসম)**

ষ্টেচন ৰোড, গুৱাহাটী—৭৮১০০১
ফোন নং : ৫৪৪৭৫, ৫৪৭১০২ আৰু ৩১০২২

জনসংযোগ

# সংগীত সত্ৰৰ ৰূপালী জয়ন্তী লগনত

● ড° শ্ৰীপ্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য

অসমৰ ঐতিহ্য মণ্ডিত প্ৰাগ্‌জ্যোতিষ পুৰ আদি নামেৰে অভিহিত গুৱাহাটী মহানগৰীত ১৯৬৮ চনতে চানমাৰী (পূব-গুৱাহাটী) অঞ্চলত স্থাপিত হৈ গীত-বাদ্য নৃত্য শিক্ষাৰ গজালিৰ পৰা বিৰিখৰ ফালে আগবাঢ়ি ক্ৰমে ফুলে-ফলে জাতিস্কাৰ হোৱা পবিত্ৰানুষ্ঠান সংগীত-সত্ৰৰ ৰূপালী জয়ন্তীৰ শুভ লগনত আমাৰো মনত সুখ-দুখ, সংগ্ৰাম-সফলতা আদিৰে নানা ৰসৰ সঞ্চাৰ হৈছে। উজনীৰ মাজুলী অঞ্চলৰ পৰা অহা সংগীত-সাধক এজনে ক্ৰমে নামনিৰ অসমৰ শুকান বালিচৰ ফালে আহি সংগীত-সত্ৰৰ সমধুৰ সূচনা কৰাৰ কথা-কাহিনী সচাঁকৈয়ে মনোৰম। এয়া ৰূপালী জয়ন্তীৰ লগনতে নিশ্চয়কৈ আমাৰ পূজনীয় শিক্ষা গুৰু ড° মহেশ্বৰ নেওগ মহাশয় (সভাপতি) সংগীত-সত্ৰৰ মূলাধাৰ শ্ৰীৰোযেশ্বৰ শইকীয়া বায়ন, অন্যতমা প্ৰতিষ্ঠাপক সদস্যা অধ্যাপিকা ড' শ্ৰীমতী নিৰ্মল প্ৰভা বৰদলৈ, অধ্যাপক যোগেশ দাস, অধ্যাপক ড° বীৰেন্দ্ৰনাথ দত্ত, শ্ৰীমান প্ৰদীপ বৰদলৈ, প্ৰয়াত যুগল দাস, কেশৱ চাংকাকতি আদি, বিশেষকৈ শ্ৰীউপেন্দ্ৰনাথ ভূঞা আৰু অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়া — জন-সেৱক শ্ৰীৰাধা বৰা, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীঅতুল চন্দ্ৰ বৰুৱা, সু-সাহিত্যিক শ্ৰীনবেন্দ্ৰনাথ শৰ্মা আদি বহুতৰে বিবিধ অৰিহনাৰ বিষয়ে বিবিধ লেখনীত উল্লেখিত হ'ব। ১৯৬৮ চনতে মযো বি, বৰুৱা কলেজৰ অধ্যক্ষ ৰূপে আমাৰ অধ্যাপিকা নিৰ্মলপ্ৰভা বৰদলৈৰ চানমাৰীৰ বাসভৱনতে সত্ৰীয়া সংগীতজ্ঞ শ্ৰীৰোযেশ্বৰ শইকীয়া বায়নক লগ পাওঁ আৰু চা-চিনাকী হওঁ।...... সতীৰ্থা অধ্যাপিকা বৰদলৈ আৰু প্ৰিয় ছাত্ৰ শ্ৰীমান প্ৰদীপ বৰদলৈৰ আকৰ্ষণত মোৰ দুটি ল'ৰা 'অমিয়' আৰু 'অপূৰ্ব'ক 'বায়নৰ খোল' স্বৰূপা বাদ্য বিভাগত নামভৰ্ত্তি কৰাই অভিভাৱক তথা কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ অন্যতম সদস্যৰূপে জড়িত হৈ পৰো। দুখৰ কথা মোৰ ল'ৰা 'অমিয়' আৰু আমাৰ মাজত নাই—১৯৭০ চনৰ ৪ আগষ্টত বাৰ বছৰ তিনি মাহত প্ৰয়াত এইজনা শিশু বাদ্য শিল্পীৰ গুৰু-জনা শইকীয়াৰ নিৰ্দেশত প্ৰদৰ্শিত খোল-বাদনৰ আলোক চিত্ৰবোৰ এতিয়াও আমাৰ ঘৰত করুণ-স্মৃতিৰূপে সংৰক্ষিত হৈ আছে। ...... এতিয়া মোৰ এজনী নাতিনীয়ে সংগীত-সত্ৰৰ নৃত্য বিভাগৰ ছাত্ৰীৰূপে শ্ৰীমতী দীপ্তি চাংকাকতিৰ তত্ত্বাবধানত শিক্ষা লৈ আছে। ... নল মৰে গজালি ওলায়। সংগীত সত্ৰৰ যোগেদি ডুবিৰ দেৱদাসী নৃত্য শিক্ষা, বৰগীতৰ প্ৰশিক্ষণ আদি বিদ্যায়তনিক আঁচনিয়ে সত্ৰীয়া নৃত্য-গীত বাদ্যৰ সৰ্ব-ভাৰতীয় স্বীকৃতি দানৰ বাবে সংগীত নাটক একাডেমীৰ অচিৰে সন্মতি লাভৰ আশাৰে। ....বিজয়তু সংগীত সত্ৰৰ ৰূপালী জয়ন্তী সমাৰোহ। ●